মানুহে তেতিয়ালৈকে কল্যাণত থাকিব, যেতিয়ালৈকে ইফতাৰ কৰাত পলম নকৰিব।

ছাহল বিন ছাআদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছিলঃ "মানুহে তেতিয়ালৈকে কল্যাণত থাকিব, যেতিয়ালৈকে ইফতাৰ কৰাত পলম নকৰিব।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যেতিয়ালৈকে মানুহে ছুন্নতৰ ওপৰত আমল কৰি, চৰীয়তৰ নিয়মানুযায়ী সীমাৰেখাৰ খিয়াল ৰাখি, সূৰ্য্য অস্ত হৈছে বুলি নিশ্চিত হোৱাৰ পিছত ৰোজা ইফতাৰ কৰাত পলম নকৰিব, তেতিয়ালৈকে তেওঁলোক কল্যাণত থাকিব।

http://sunnah.global/hadeeth/as/show/4438